# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-12-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১।  লোকসভাত কালি নিৰ্বাচনী সংশোধনক লৈ বিশেষভাৱে আলোচনা কৰা হয়।
২।  ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত মানৱ অধিকাৰ দিৱস উপলক্ষে আয়োজিত এটা অনুষ্ঠানত ভাষণ দিব।
৩।  নতুন দিল্লীৰ সংসদ ভৱনত কালি প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰীৰ উপস্থিতিত এন ডি এ সংসদীয় দলৰ এখন বৈঠক অনুষ্ঠিত হয়।
৪।  শ্বহীদ দিৱস উপলক্ষে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিম বৰাগাঁৱত নিৰ্মিত শ্বহীদ স্মাৰক ক্ষেত্ৰৰ উদ্বোধন কৰিব।

*আৰু*

৫।  ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টি-টুৱেণ্টি শৃংখলাৰ কটকত অনুষ্ঠিত প্ৰথমখন খেলত ভাৰত ১০১ ৰানত জয় লাভ কৰে।

ooooo

লোকসভাত কালি নিৰ্বাচনী সংশোধনক লৈ বিশেষভাৱে আলোচনা কৰা হয়। আলোচনাত ভাগ লৈ আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে প্ৰকাশ কৰে যে, কংগ্ৰেছৰ শাসন কালতো ভোটাৰ তালিকাৰ পুংখানুপুংখ সংশোধনী কেইবাবাৰো সম্পন্ন হৈছিল যদিও এতিয়া দলটোৱে একেটা বিষয়ত প্ৰশ্ন উত্থাপন কৰাটো আশ্চৰ্যজনক। ভাৰতৰ ভোটদান প্ৰক্ৰিয়াৰ প্ৰশংসা কৰি তেওঁ কয়, যে স্বাধীনোত্তৰ কালৰে পৰা সকলোৱে ভোটদানৰ ক্ষেত্ৰত সম অধিকাৰ লাভ কৰি আহিছে। নৰেন্দ্ৰ মোদী চৰকাৰে নাৰী শক্তি বন্দন অধিনিয়ম গৃহীত কৰি লোকসভা, বিধানসভা তথা বিধানসভাৰো  মুঠ আসনৰ এক তৃতীয়াংশ মহিলাৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিছে বুলি তেওঁ উল্লেখ কৰে। নিৰ্বাচন মাথোঁ ৰাজনৈতিক কুচ-কাৱাজ নহয়, বৰং ই কোটি কোটি লোকে অংশগ্ৰহণ কৰি উদযাপন কৰা গণতন্ত্ৰৰ এটা অনুষ্ঠান বুলি মেঘৱালে অভিহিত কৰে। ড° বি আৰ আম্বেদকাৰে ৰূপায়ণ কৰা নীতিৰ আলমতেই দেশৰ নিৰ্বাচন প্ৰক্ৰিয়া চলি আহিছে বুলি তেওঁ মন্তব্য কৰে। আলোচনাত ভাগ লৈ বিজেপিৰ নিশিকান্ত ডুবেই কয়, যে বিজেপিয়ে ভোটবেংকৰ স্বাৰ্থত নহয় ৰাষ্ট্ৰীয় স্বাৰ্থতহে ৰাজনীতি কৰে। বিৰোধী দলসমূহে ভোটাৰ তালিকাৰ পুংখানুপংখ সংশোধনক লৈ ৰাজনীতি কৰা বুলি তেওঁ অভিযোগ কৰে। অভিযোগ উত্থাপন কৰি তেওঁ কয়, যে কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ আৰু ঝাৰখণ্ড মুক্তি মৰ্চাই অনুপ্ৰৱেশকাৰীৰ ভোটেৰে জয়লাভ কৰি অহাবাবেই ভোটাৰ তালিকাৰ সংশোধনী বিৰোধিতা কৰিছে। নিজৰ শাসন কালত কংগ্ৰেছ দলে দলীয় স্বাৰ্থক প্ৰাধান্য দি মুখ্য নিৰ্বাচনী বিষয়া নিযুক্তি দিছিল বুলি তেওঁ অভিযোগ কৰে। ইপিনে, বিৰোধী দলপতি তথা কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে ভোটাৰ তালিকাৰ নকল ভোটাৰ প্ৰসংগত নিজৰ মন্তব্য দাঙি ধৰে। বিহাৰত হোৱা ভোটাৰ তালিকাৰ সংশোধনীৰ

প্ৰসংগ উত্থাপন কৰি সেই ভোটাৰ তালিকাত ১ লাখ ২০ হাজাৰ নকল ফটো সন্নিৱিষ্ট থকা বুলি অভিযোগ উত্থাপন কৰে। গান্ধীয়ে ইয়াৰ পূৰ্বে এই আলোচনাৰ পাতনি মেলি কংগ্ৰেছৰ মনীষ তিৱাৰীয়ে কয়, যে ভোটাৰ তালিকাৰ পুংখানুপুংখ সংশোধনী কৰিবলগীয়া হোৱাৰ কাৰণসমূহ নিৰ্বাচন আয়োগে ব্যাখ্যা কৰা উচিত।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত মানৱ অধিকাৰ দিৱস উপলক্ষে আয়োজিত এটা অনুষ্ঠানত ভাষণ দিব। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে আয়োজন কৰা এই অনুষ্ঠানত ১৯৪৮ চনত গ্ৰহণ কৰা সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণাৰ বিষয়ে গুৰুত্ব আৰোপ কৰা হ'ব।

এইবেলি মানৱ অধিকাৰ দিৱসৰ মূল বিষয়বস্তু হৈছে **অত্যাৱশ্যকীয় জনসেৱা আৰু সকলোৰে বাবে মৰ্যাদা**। মানৱ অধিকাৰ আয়োগে এই বিষয়ৰ লগত ৰজিতা খোৱাকৈ এখন সন্মিলনৰ আয়োজন কৰিব। সন্মিলনত প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ প্ৰধান সচিব ডঃ পি কে মিশ্ৰই সকলোৰে বাবে সাৰ্বজনীন, সমতাপূৰ্ণ আৰু মৰ্যাদাপূৰ্ণ জনসেৱা সন্দৰ্ভত মূল ভাষণ দিব। সন্মিলনত ৰাজ্যিক মানৱ অধিকাৰ আয়োগ, ৰাষ্ট্ৰীয় আয়োগ, চৰকাৰী বিষয়া, নাগৰিক সমাজ আৰু ভালেসংখ্যক শিক্ষাবিদ উপস্থিত থাকিব।

০০০০০

নতুন দিল্লীৰ সংসদ ভৱন কমপ্লেক্সত কালি এন ডি এ সংসদীয় দলৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিজেপিৰ সভাপতি জে পি নাড্ডা, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° জয়শংকৰ, জে ডি ইউৰ সাংসদ সঞ্জয় ঝা, ৰাষ্ট্ৰীয় লোকমৰ্চাৰ মুৰব্বী উপেন্দ্ৰ কুশৱাহা, এন চি পিৰ সাংসদ প্ৰফুল্ল পেটেলকে ধৰি এন ডি এৰ অন্যান্য সাংসদ সকল উপস্থিত থাকে। বৈঠকৰ সময়ত বিভিন্ন বিষয় বিশেষকৈ বিকশিত ভাৰতৰ সপোন বাস্তৱায়িত কৰিবলৈ সুশাসনৰ এজেণ্ডাক আগুৱাই নিয়াৰ পদ্ধতিসমূহ আলোচনা কৰা হয়।

বৈঠকত বিহাৰ বিধানসভা নিৰ্বাচনত মিত্ৰজোঁটৰ জয়ৰ বাবে এনডিএৰ সাংসদসকলে প্ৰধানমন্ত্ৰী মোডীক সম্বৰ্ধনা জনায়। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয় যে, বৈঠকৰ সময়ত এন ডি এৰ সকলো নেতাই বিহাৰ নিৰ্বাচনত এন ডি এৰ জয়ৰ বাবে প্ৰধানমন্ত্ৰীক অভিনন্দন জনায়। ৰিজিজুৱে কয় যে, প্ৰধানমন্ত্ৰীয়ে এন ডি এৰ নেতাসকলক দেশৰ উন্নয়নৰ বাবে অধিক ক্ষীপ্ৰতাৰে কাম কৰিবলৈ আহ্বান জনাইছে। শ্ৰীৰিজিজুৱে জনোৱা মতে, প্ৰধানমন্ত্ৰীয়ে জনসাধাৰণৰ জীৱন সহজ কৰি তুলিবলৈ আৰু তেওঁলোকে সমস্যাৰ সন্মুখীন নোহোৱাৰ নিশ্চিত কৰিবলৈ সকলো খণ্ডতে সংস্কাৰ গ্ৰহণ কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী মোদীয়ে সাংসদসকলক যুৱক-যুৱতীসকলৰ সৈতে সংযোগ স্থাপন কৰিবলৈ আহ্বান জনায়।

০০০০০

দেশপ্ৰেম, ত্যাগ আৰু ৰাষ্ট্ৰীয় চেতনাৰ প্ৰতীক হৈ পৰা ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমে দেশৰ স্বাধীনতা আন্দোলনৰ পথ প্ৰশস্ত কৰিছিল বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। ৰাজ্যসভাত কালি বন্দে মাতৰম গীতৰ ডেৰশ বছৰীয়া বাৰ্ষিকী সন্দৰ্ভত আলোচনাৰ পাতনি মেলি শ্ৰীশ্বাহে কয়, যে এই অমৰ সৃষ্টিৰাজিয়ে দেশমাতৃৰ প্ৰতি কৰ্তব্য আৰু উৎসৰ্গাৰ মনোভাৱ যোগাই তোলে। বন্দে মাতৰমৰ আৱশ্যকতা স্বাধীনতা সংগ্ৰামৰ সময়তো আছিল আৰু আজিও আছে আৰু ২০৪৭ চনত ভাৰতবৰ্ষ বিকশিত ৰাষ্ট্ৰৰূপে পৰিগণিত হোৱাৰ সময়তো ইয়াৰ প্ৰাসংগিকতা অক্ষুন্ন থাকিব বুলি শ্ৰীশ্বাহে উল্লেখ কৰে।

০০০০০

শ্বহীদ দিৱস উপলক্ষে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিম বৰাগাঁৱত নিৰ্মিত শ্বহীদ স্মাৰক ক্ষেত্ৰৰ উদ্বোধন কৰিব। অসম আন্দোলনৰ ৮৬০ গৰাকী জাতীয় শ্বহীদৰ স্মৃতিত ১৭০ কোটি টকা ব্যয়েৰে ১৫০ বিঘাৰো অধিক ভূমি সামৰি এই স্মাৰক ক্ষেত্ৰ আৰু শ্বহীদ স্তম্ভ সাজি উলিওৱা হৈছে। কালি মুখ্যমন্ত্ৰীয়ে স্মাৰক ক্ষেত্ৰত শ্বহীদ প্ৰণাম জ্যোতি প্ৰজ্বলন কৰে। লগতে ৮৬০ গছি বন্তি প্ৰজ্বলন কৰি অসম আন্দোলনৰ বীৰ শ্বহীদসকললৈ শ্ৰদ্ধা নিবেদন কৰা হয়। অসম চৰকাৰৰ মন্ত্ৰী অতুল বৰা, কেশৱ মহন্ত, বিমল বৰা, পীয়ুষ হাজৰিকা আৰু জয়ন্ত মল্ল বৰুৱাৰ লগতে সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বৰ উপৰি চৰকাৰৰ কেইবাগৰাকী জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। সংবাদ মাধ্যমৰ সন্মুখত ড° শৰ্মাই কয়, যে স্মাৰক ক্ষেত্ৰখন অসমীয়া জাতি বিশ্বৰ বুকুত গৌৰৱেৰে জীয়াই থকাৰ সংকল্পৰ এটা প্ৰতীক আৰু জাতিৰ বাবে প্ৰেৰণাৰ কেন্দ্ৰ হৈ থাকিব। মুখ্যমন্ত্ৰীয়ে লগতে শ্বহীদ স্মাৰক ক্ষেত্ৰৰ কেন্দ্ৰীয় কাৰ্যসূচীৰ উপৰি ৰাজ্যৰ সকলো জিলাত তথা সমজিলা সদৰত আয়োজন কৰা শ্বহীদ দিৱসৰ কাৰ্যসূচীত সকলোকে ভাগ ল'বলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে, শ্বহীদ দিৱসৰ আজিৰ কেন্দ্ৰীয় কাৰ্যসূচীত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০

ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা NIA-এ যোৱা মাহত সংঘটিত দিল্লী বোমা বিস্ফোৰণৰ গোচৰৰ সৈতে জড়িত আন এজন মূল অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। এন আই এয়ে জনোৱা মতে, জম্মু-কাশ্মীৰৰ বাৰামুল্লাৰ ডাঃ বিলাল নাছিৰ মাল্লা এই গোচৰত গ্ৰেপ্তাৰ হোৱা অষ্টম অভিযুক্ত। দিল্লীৰ পৰা এন আই এৰ এটা দলে তেওঁক কৰায়ত্ত কৰে। সন্ত্ৰাসবাদ বিৰোধী সংস্থাটোৱে লালকিল্লা অঞ্চলত ১১ জন লোকৰ মৃত্যু আৰু কেইবাজনো লোক আহত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ আঁৰৰ ষড়যন্ত্ৰত তেওঁ জড়িত বুলি ধৰা পেলায়।

এন আই এৰ তদন্ত অনুসৰি বিলালে জানি-বুজি আত্মঘাতী অভিযুক্ত উমৰ উন নবীক সহায় আগবঢ়াই আশ্ৰয় দিছিল। তেওঁৰ বিৰুদ্ধে সন্ত্ৰাসবাদী আক্ৰমণৰ সৈতে জড়িত প্ৰমাণ ধ্বংস কৰাৰ অভিযোগো আছে।

০০০০০

ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান- আই আই এম চিয়ে কেন্দ্ৰীয় চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ সহযোগত আজি আৰু কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীত আঞ্চলিক সামূহিক অনাতাঁৰ কেন্দ্ৰ সন্মিলনৰ আয়োজন কৰিছে। ভাৰতত সামূহিক অনাতাঁৰ সেৱাৰ ২০ বছৰ পূৰ্তি উদযাপন বিষয়বস্তুৰে

আয়োজিত এই সন্মিলনৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ সামূহিক অনাতাঁৰ কেন্দ্ৰৰ সৈতে জড়িত ব্যক্তি, প্ৰতিষ্ঠান, গণ মাধ্যমৰ শিক্ষক, চৰকাৰী প্ৰতিনিধি আৰু বিশেষজ্ঞসকলক একেখন মঞ্চত উপবিষ্ট কৰোৱা হ'ব। গুৱাহাটীৰ আজাৰাত আজি পুৱা ১০ বজাত এই সন্মিলন আৰম্ভ হ'ব।

0000000

দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে শেহতীয়া এদিনীয়া শৃংখলাত জয়লাভ কৰি আত্মবিশ্বাসী হৈ থকা ভাৰতে টি-টুৱেণ্টি শৃংখলাৰ প্ৰথমখন খেলতো কালি অদমনীয় প্ৰদৰ্শনেৰে উজ্জ্বলি উঠে। কটকৰ বাৰাবতী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ভাৰতে আলহী দলটোক ১০১ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰে। দক্ষিণ আফ্ৰিকাৰ আমন্ত্ৰণ মৰ্মে প্ৰথমে বেট ধৰা  ভাৰতে নিৰ্ধাৰিত অভাৰত ৬টা উইকেট হেৰুৱাই ১৭৫ ৰান কৰে। হাৰ্দিক পাণ্ড্যিয়াই ২৮টা বলত ৪টা ৬ আৰু ৬টা চাৰিৰ সহায়ত ৫৯ ৰানৰ বিস্ফোৰক ইনিংছ খেলি অপৰাজিত হৈ থাকে। প্ৰত্যুত্তৰত আৰম্ভণিৰে পৰা উইকেট হেৰুৱাই বিপদত পৰা দক্ষিণ আফ্ৰিকাই মাত্ৰ ৭৪ ৰানতে ইনিংছ সামৰে। হাৰ্দিক পাণ্ড্যিয়াক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। শৃংখলাৰ পৰৱৰ্তী খেলখন পৰহিলৈ চণ্ডীগড়ৰ মুল্লানপুৰত অনুষ্ঠিত হ'ব।

00000

জম্মু আৰু কাশ্মীৰত ১৭ ডিচেম্বৰত জম্মুৰ মৌলানা আজাদ ষ্টেডিয়ামত প্ৰথমবাৰৰ বাবে পৰম্পৰাগত মল্লযুদ্ধ প্ৰতিযোগিতা আন্তঃৰাষ্ট্ৰীয় দংগল আৰু ৰুষ্টম-ই-জম্মু কাশ্মীৰ খিতাপ ২০২৫ৰ আয়োজন কৰা হৈছে। আমাৰ সংবাদাতাই জনাইছে যে, ভাৰত, ইৰাণ আৰু কেইবাখনো দেশৰ পেছাদাৰী মল্লযুঁজাৰুসকলক একত্ৰিত কৰা এই চেম্পিয়নশ্বিপত কেন্দ্ৰীয় শাসিত অঞ্চলটোত এতিয়ালৈকে আয়োজিত হোৱা অন্যতম বৃহৎ মল্লযুঁজ প্ৰতিযোগিতা হিচাপে পৰিগণিত হ'ব।

00000

**সমাপ্ত**